
ৰঙিয়া মহাবিদ্যালয়
আলোচনী
সম্পাদক
শ্ৰীঅনুজ লহকৰ



সংগ্ৰাহক ঃ হেমন্ত কলিতা



পৰিকল্পনা ঃ কংকন কলিতা

অংকণ ঃ ভূপেন কলিতা



# ৰঙিয়া মহাবিদ্যালয় আলোচনী

## বাৰ্ষিক প্ৰকাশ

ষষ্ঠবিংশ তম্ বছৰেকীয়া প্ৰকাশ

।। ১৯৯৮-৯৯ বৰ্ষ ।।

শ্ৰদ্ধাৰে / আন্তৰিকতাৰে --

.............................................

....................................

তত্বাৱধায়ক
হৰেন্দ্ৰ নাথ শৰ্মা।

সম্পাদক
অনুজ লহকৰ।

# অশ্ৰু অঞ্জলি



শ্ৰদ্ধাৰ ঁদুৰ্গাদত্ত আগৰৱালদেৱৰ সোঁৱৰণত এক শোকাৰ্ত শ্ৰদ্ধাঞ্জলি
জন্ম ঃ ১৯২৭ চনৰ মে'।
মৃত্যু ঃ ১৯৯৯ চনৰ ৩০ নবেম্বৰ।


সম্পাদক-

# *A Busy Moment of our Principal.*



*Sri Bhabendra Nath Deka.*
*Principal, Rangia College.*
*Rangia*-781 354

সম্পাদনা সমিতি, ১৯৯৮-৯৯




বাওঁফালৰ পৰা ক্ৰমে ঃ সৰ্বশ্ৰী প্ৰতুল কলিতা (সদস্য), ইব্ৰাহিম আলী (সদস্য), হেমন্ত কলিতা (সদস্য), ভবেন্দ্ৰ নাথ ডেকা (সভাপতি), হৃৰেন্দ্ৰ নাথ শৰ্মা (তত্বাৱধায়ক), অনুজ নহকৰ (সম্পাদক), অচ্যুত কলিতা (সদস্য)।



# সম্পাদকীয়







শান্তিপূৰ্ণ পৰিবেশ পালেহে নতুন প্ৰজন্মৰ পৰা একো একোজন বৈজ্ঞানিক, সাহিত্যিক, প্ৰতিভাবান ব্যক্তি তথা দূৰদৃষ্টি সম্পন্ন নেতা আদিৰ সৃষ্টি হ'ব। এই সপোন কলৱতী কৰিবলৈ হলে আমি উঠি অহা ছাত্ৰ সমাজখনে পণ বান্ধি আগ বাঢ়িব লাগিব।

**"আহ'ক আমি এই সপোন পূৰণ কৰো"**

শিক্ষা অৰ্জন কৰিবলৈ হলে আমাক এটি নিখুঁত আৰু সু-পৰিকল্পিত পথৰ প্ৰয়োজন। শিক্ষা যিহেতু সীমাহীন অন্তহীন গতিকে আজিৰ সুস্থ আৰম্ভণিয়েহে হ'ব ভৱিষ্যতৰ সাফল্যৰ স্বাক্ষৰ। প্ৰভাতী সূৰ্য্যই যিদৰে দিনটোৰ বতৰা বিলাই ঠিক তেনেকৈ সুস্থ পৰিবেশেও ভৱিষ্যতৰ পথ - প্ৰদৰ্শক হৈ জীৱন সুন্দৰময় কৰি তোলে। আমাৰ জীৱনৰ প্ৰতিটো দিনে হয় নৱ প্ৰজন্মৰ এক নৱ আৰম্ভণি, কিন্তু দুখৰ বিষয় যে এই নতুন প্ৰজন্মক আদৰিবলৈ আজি নৱ সূৰ্য্যৰ শুভ্ৰ সোণোৱালী কিৰণ আৰু নাই; তেওঁলোকে দেখিবলৈ পায় কেৱল ক'লা মেঘে আবৰি থকা এক অন্ধকাৰ আকাশ।

আধুনিক অসমীয়া সাহিত্যৰ মূল ভেটি- আলোচনীবোৰৰ ওপৰতে নিৰ্ভৰশীল। 'অৰুণোদয়'ৰ যুগৰ পৰা 'ৰামধেনু'ৰ যুগলৈকে এই সময় ছোৱাই তাৰ সাক্ষ্য বহন কৰে। আমাৰ মহাবিদ্যালয়ত ১৯৬৬ চনৰ পৰা মহাবিদ্যালয়ৰ মুখপত্ৰ 'ৰঙিয়া

মহাবিদ্যালয় আলোচনী' ছপা ৰূপত প্ৰকাশিত হৈ আহিছে। মহাবিদ্যালয়ৰ মুখপত্ৰৰ মুখ্য উদ্দেশ্য হ'ল -ছাত্ৰ-ছাত্ৰী সকলৰ সৃজনী প্ৰতিভা বিকাশৰ সুযোগ দিয়া। বিদ্যালয় বা মহাবিদ্যালয়ৰ আলোচনীখনেই তাৰ মানদণ্ড নিৰূপক। সাহিত্যৰ পথাৰখনৰ কঠিয়া তলি হৈছে নবীন লেখক-লেখিকা। গতিকে শইচ-সোণোৱালী পথাৰ গঢ়িবলৈ অধ্যয়নৰ দ্বাৰা ভৱিষ্যতে এজন ভাল সাহিত্যিক ৰূপে গঢ় দিবলৈ অনুশীলনৰ যাই কঠিয়াতলী হৈছে স্কুল -কলেজৰ মুখপত্ৰবোৰ। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে যেন সাহিত্য সাধনাৰ জৰিয়তে এই আলোচনীতে আত্ম প্ৰকাশ কৰি ভৱিষ্যতে সু-সাহিত্যিক ৰূপে নিজকে গঢ় দিবলৈ চেষ্টা কৰাৰ বাবে এই সুযোগতে তেওঁলোকক আহ্বান জনাইছোঁ।

বৰ্তমান বিদ্যালয় বা মহাবিদ্যালয়ৰ প্ৰথম মুখপত্ৰ ছপা কৰিবলৈ হলে উপযুক্ত লিখনিৰ অভাৱ বাৰুকৈয়ে পৰিলক্ষিত হয়। ইয়াৰ বাবে প্ৰধান দায়ী হ'ল আমাৰ সমাজ ব্যৱস্থা। যি প্ৰাকৃতিক পৰিবেশ আমাৰ জীৱন নিৰ্বাহৰ একমাত্ৰ সহাঁৰি সেই প্ৰকৃতিৰ কথা আজিৰ কবিতাত আৰু প্ৰকাশ নাপায়, কাৰো মনলৈ নাহে মধুৰ স্মৃতি ভৰা নিচুকনী গীতৰ ভাষা। পাহৰণিৰ গৰ্ভত বিলুপ্ত হ'ব ধৰিছে শংকৰ -মাধৱৰ আদৰ্শ। আজিৰ লিখনিত মাত্ৰ প্ৰকাশ পায় হত্যা, লুণ্ঠন আৰু বলাৎকাৰৰ দৰে কু-সংস্কৃতিৰ ভাষা। সেয়ে মোৰ বিবেকে মোক বাৰে বাৰে প্ৰশ্ন কৰে কিহৰ বাবে আজি এই পৰিবেশৰ সৃষ্টি আমাৰ সমাজখনে বাৰু এবাৰ ভাবি চাইছেনে?

কোনো এখন মুখপত্ৰৰ সৌন্দৰ্য্যবৰ্দ্ধনত প্ৰধান সহায়ক হয় সেই মুখপত্ৰখনৰ বেটুপাত। বেটুপাতবোৰে পাঠকৰ আগত দাঙি ধৰে সেই সময়ত প্ৰচলিত পৰিবেশৰ কথা তথা নিৰূপন কৰে আলোচনীখনৰ মানদণ্ড। বৰ্তমান বিদ্যালয়-মহাবিদ্যালয়ৰ মুখপত্ৰবোৰৰ বেটুপাতবোৰত পৰিলক্ষিত হয় শান্তিক গুলিবিদ্ধ কৰাৰ ছবি, আজিৰ মানৱে কৰে এক নতুন জগতৰ সন্ধান আৰু দেখিবলৈ পাওঁ মাতৃহৃদয়ৰ ক্ৰন্দন। কিয় আজিৰ চিত্ৰকৰৰ মনলৈ নাহে প্ৰকৃতিৰ মৰম লগা সেই ৰঙীণ ছবি? কিয় অঙ্কিত নহয় এক শান্তিপূৰ্ণ পৰিবেশ তথা ধৰ্মীয় ভাবমূৰ্ত্তি, কিয়?

বৰ্তমান সমাজৰ সচেতন নাগৰিকৰ বাবে সময়ৰ ইংগিতেই যথেষ্ট। সেয়েহে আজিৰ জনগনে এনেবোৰ প্ৰশ্নৰ উত্তৰ ভাবি চোৱাৰ সময় সমাগত। □□

"জয়তু ৰঙিয়া মহাবিদ্যালয়"

শ্ৰীঅনুজ লহকৰ
সম্পাদক



## কৃতজ্ঞতাৰ শৰাই

যি সকল ব্যক্তিৰ অফুৰন্ত সহায়ৰ বাবে আলোচনীখন প্ৰকাশ কৰা সম্ভৱ হ'ল তেখেত সকলক কৃতজ্ঞতা জনাব ওলাই মই প্ৰথমতে কৃতজ্ঞতা স্বীকাৰ কৰিছোঁ মাননীয় অধ্যক্ষ **শ্ৰীযুত ভবেন্দ্ৰ নাথ ডেকা** দেৱৰ তথা যিসকল সন্মানীয় অধ্যাপকে আলোচনীখনৰ বিভিন্ন শিতানবোৰৰ পুনৰ সংস্কৰণ কৰি আলোচনীখন সুন্দৰ ভাবে প্ৰকাশ কৰাত সহায় কৰিলে তেখেত সকলৰ ভিতৰত **সৰ্বশ্ৰী হৰেন্দ্ৰ নাথ শৰ্মাদেৱ**(তত্বাৱধায়ক, আলোচনী বিভাগ), **প্ৰদীপ কলিতা** (জেষ্ঠ প্ৰবক্তা, মিৰ্জা), **কণিকা কলিতা** (অধ্যাপিকা, শৰাইঘাট মহাবিদ্যালয়), এখেত সকলে প্ৰবন্ধ, গল্প আৰু সম্পাদকীয় শিতানৰ সংস্কৰণ কৰে তথা **নৰেন্দ্ৰ কলিতাদেৱে** কবিতা বিভাগ আৰু **অমৰেন্দ্ৰ কুমাৰ শৰ্মাদেৱে** ইংৰাজী শিতানৰ পুনৰ সংস্কৰন কৰি অতুলনীয় সহায় আগবঢ়ায়। ইয়াৰ উপৰিও **শ্ৰীযুতা বীণা লহকৰ** আৰু মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাগুৰুৰ মৰম আৰু আশীৰ্বাদে মোক 'তেখেতসকলৰ ওচৰত চিৰকৃতজ্ঞ কৰি ৰাখিব। লগতে ১৯৯৮-৯৯ চনৰ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ প্ৰতিজন সম্পাদক-সম্পাদিকা তথা তত্বাৱধায়ক- তত্বাৱধায়িকা সকললৈ মই ধন্যবাদ জ্ঞাপন কৰিছোঁ। মোক পদে পদে সহায়- সহযোগ আগবঢ়োৱা ভাতৃপ্ৰতিম সুহৃদ বন্ধু সকল হ'ল- ডিম্বেশ্বৰ, গুণিন্দ্ৰ, কৰেন্দ্ৰ, বিশ্বজিৎ , তৰুণ, ইনামুল, হেমন্ত, প্ৰতুল, প্ৰণৱ, অচ্যুত, অনুজ, জিন্তু, ফকৰ, মঞ্জুল, সুনন্দ আৰু বান্ধৱী সকল- মল্লিকা, অঞ্জুমা, ৰুমী, অৰ্চ্চনা, নৱনীতা, ৰৌচনআৰা, দীপিকা, মানসী, ৰুবিনা, গীতাঞ্জলী, জুমু, পুনম, নীলম, জেচমিন আৰু চাজিনালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। লগতে অভিষেক অফচেট্ প্ৰেচৰ সমুহ কৰ্মচাৰীবৃন্দলৈও ধন্যবাদ জাছিলোঁ।
সদৌ শেষত ৰঙিয়া মহাবিদ্যালয়ৰ লগত জড়িত প্ৰতিজন ব্যক্তিলৈ মোৰ হিয়াভৰা অভিনন্দন ওঁ শলাগৰ শৰাই আগবঢ়াই সামৰণি মাৰিলোঁ।

সম্পাদক

শ্ৰীঅনুজ লহকৰ।

# সূচীপত্র

## চিন্তা শিল্প (প্ৰবন্ধ)


| | | |
|---|---|---|
| আধুনিক শিক্ষা ব্যৱস্থাত নৈতিকতা আৰু আধ্যাত্মিকতাৰ প্ৰাসঙ্গিকতা। | শ্ৰীভবেন্দ্ৰ নাথ ডেকা। | 1 |
| এন্থ বস মাধৱ মুৰুখমতি গাৱে । | শ্ৰীদক্ষেশ্বৰ ডেকা। | 4 |
| বৈজ্ঞানিক আৱিষ্কাৰ আৰু প্ৰদূষণৰ উৎস। | শ্ৰীবীৰেন্দ্ৰ নাথ শৰ্মা। | 7 |
| ৰেগিং ঃ এক সামাজিক ব্যাধি । | শ্ৰীঅৰ্চনা লহকৰ। | 10 |
| কাৰগিল । | শ্ৰীবিশ্বজিৎ ভট্ট। | 12 |
| বহিৰ্জগতত প্ৰাণৰ স্পন্দন বিচাৰি। | শ্ৰীবুবুল পাঠক। | 15 |
| Enviromental Pollution and Economic Developement. | Brajendra Saikia. | 19 |
| Euro: The greatest revolution of monetory Economics. | Kaushik Gupta. | 23 |
| Communications growing in to an information super highway. | Rana Ditya Barman. | 26 |


## কবিতা

মৰীচিকা, সপোন নে বাস্তৱ ঃ-1, ধ্বনি আৰু প্ৰতিধ্বনি , তোমালৈ বাট চাই - 2, জীৱনৰ নতুন অৰ্থ, সিহঁত আহিব -3,তেজৰ নাম সূৰ্য্য, এক অজান সুৰ-4, ফুল তৰা গান-5, সেই ট্ৰেইনখন, বেদনাৰ অশ্ৰু-6, তোমাৰ অস্তিত্ব, তেজ ৰঙা শব্দটো-7, সপোন পৰশ, শক্তি সূৰুযৰ উন্মেষ-8, নীৰৱ ভাষাৰে-9, Disloyal, Who are you-10, Problem-11, मेरे आरमान- 12.

## কথা শিল্প (গল্প)


| | | |
|---|---|---|
| হৃদয়ৰ পাৰত অন্বেষা। | শ্ৰীদুদুল শালৈ। | 1 |
| অভিশপ্ত অমানিশা। | শ্ৰীহেমন্ত কলিতা। | 5 |
| মৰা সূঁতীৰ সোঁত। | শ্ৰীপ্ৰতুল ভূঞা। | 10 |
| এন্ধাৰত মৰীচিকা বিচাৰি। | শ্ৰীনৰ কুমাৰ শালৈ। | 13 |
| দায়ী কোন ? | শ্ৰীঅনিতা ৰাজবংশী। | 17 |


## ভিন্ন কলম


| | | |
|---|---|---|
| शायरी | अनुज लहकर, अशुत कलिता | 1 |
| কৌতুক | | 2 |
| আমি জানো আহক আৱিষ্কাৰ আৰু আৱিষ্কাৰকৰ নাম | | 4 |
| স্মৃতি-বিস্মৃতি, মুকুতা-মালা | | 5 |


# চিন্তাশিল্প



(Assamese & English)

প্ৰবন্ধ

# আধুনিক শিক্ষা ব্যৱস্থাত নৈতিকতা আৰু আধ্যাত্মিকতাৰ প্ৰাসঙ্গিকতা

শ্ৰীভবেন্দ্ৰ নাথ ডেকা
অধ্যক্ষ ।

> ............. নৈতিক আৰু আধ্যাত্মিক ক্ষেত্ৰত ভাৰতবৰ্ষ সদায় বিশ্বৰ ভিতৰতে শ্ৰেষ্ঠ দেশ হিচাপে স্বীকৃতি লাভ কৰি আহিছে। আধ্যাত্মিক ক্ষেত্ৰত ভাৰতবৰ্ষই সদায় দিওঁতাৰ ভূমিকাহে লৈ আহিছে, লওঁতা হোৱা নাই ..................... ধৰ্মান্ধতা' আৰু 'আধ্যাত্মিকতা'ৰ প্ৰকৃত তাৎপৰ্য্য উপলব্ধি কৰিব পৰা হ'লে নীতি নিৰ্দ্ধাৰক সকলে নৈতিকতাৰ লগতে হয়তো 'আধ্যাত্মিকতা'ৰ শিক্ষা ব্যৱস্থাও নতুন শিক্ষানীতিত ঠাই দিলেহেঁতেন .....................

স্বাধীনোত্তৰ কালত ভাৰতবৰ্ষৰ গণতান্ত্ৰিক স্বাধীন চৰকাৰে দেশত যি শিক্ষানীতি প্ৰৱৰ্ত্তন আৰু প্ৰচলন কৰিছে তাৰ দ্বাৰা শিক্ষাৰ্থীসকলৰ বৌদ্ধিক বিকাশত গুৰুত্ব আৰোপ কৰা হৈছে। কলা, শিল্প, বাণিজ্য, বিজ্ঞান, প্ৰযুক্তিবিদ্যা আদি নানা বিষয়ত যথেষ্ট উন্নতমানৰ শিক্ষা দিয়াৰ ব্যৱস্থা দেশৰ চুকে-কোণে সিচঁৰিত অলেখ অনুষ্ঠান- প্ৰতিষ্ঠানৰ যোগেৰে দিয়াৰ সুব্যৱস্থা কৰা হৈছে। চৰকাৰৰ মূল শিক্ষানীতিৰ ভিত্তিত সংশ্লিষ্ট বিভাগ আৰু চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত আৰু কৰ্ত্তৃত্বপ্ৰাপ্ত বিভিন্ন পৰিষদ, সংসদ,বিশ্ববিদ্যালয়, আয়োগ আদিয়ে বিভিন্ন বিষয় আৰু স্তৰৰ পাঠ্যক্ৰম যুগুত কৰি শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছে। সমগ্ৰ শিক্ষা ব্যৱস্থাটোৰ উদ্দেশ্য আৰু লক্ষ্য হৈছে মানুহৰ মানসিক উৎকৰ্ষ সাধন কৰা, বৌদ্ধিক বিকাশ ঘটোৱা আৰু ব্যক্তি বিশেষক বিভিন্ন বৃত্তিৰ বাবে কাৰ্য্যক্ষম কৰি তোলা। আজি কিছু বছৰৰ আগৰ পৰা চৰকাৰে খেলা-ধুলাৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য কৰি শিক্ষানুষ্ঠান সমূহত কিছুপৰিমাণে শাৰিৰীক শিক্ষা প্ৰৱৰ্ত্তনৰো ব্যৱস্থা কৰিছে। কিন্তু অতি আশ্চৰ্যৰ কথা যে ভাৰতবৰ্ষবদৰে এখন অতি ঐতিহ্যপূৰ্ণ সুবিশাল তথা মহান দেশত মানৱ সভ্যতা-সংস্কৃতি, ধৰ্ম-দৰ্শনৰ প্ৰাচীনতম নিদৰ্শন থকা সত্ত্বেও গভীৰ নৈতিক আৰু আধ্যাত্মিক আদৰ্শৰে জাতীয়তাৰ ভাৱ উদ্বুদ্ধ কৰি একোগৰাকী চৰিত্ৰবান সুস্থ নাগৰিক গঢ় দিব পৰা শিক্ষানীতি প্ৰৱৰ্ত্তন সম্পৰ্কত চৰকাৰী পৰ্য্যায়ত আজিও যথাযোগ্য চিন্তা চৰ্চ্চা কৰা নাই।

ভাৰতবৰ্ষ বেদ, উপনিষদ, পুৰাণ, ৰামায়ণ, মহাভাৰতৰ দেশ। আমাৰ দেশ কৃষ্ণ, বুদ্ধ, শঙ্কৰাচাৰ্য্য, নানক, শঙ্কৰদেৱ, মাধৱদেৱ আৰু চৈতন্যদেৱৰ দেশ। তাহানিতে মহাপুৰুষ মাধৱদেৱে "ধন্য ধন্য





কলিকাল, ধন্য নৰতনু ভাল, ধন্য ধন্য ভাৰতবৰিষ" বুলি এই সুমহান দেশৰ জয়গুণ গাই গৈছে। নৈতিক আৰু আধ্যাত্মিক ক্ষেত্ৰত ভাৰতবৰ্ষ সদায় বিশ্বৰ ভিতৰতে শ্ৰেষ্ঠ দেশ হিচাপে স্বীকৃতি লাভ কৰি আহিছে। আধ্যাত্মিক ক্ষেত্ৰত ভাৰতবৰ্ষই সদায় দিওঁতাৰ ভূমিকাহে লৈ আহিছে, লওঁতা হোৱা নাই। স্বকীয় গৌৰৱোজ্জ্বল আধ্যাত্মিক ইতিহাসেৰে মহিমামণ্ডিত ঐতিহ্যপূৰ্ণ ভাৰতবৰ্ষ আজি পশ্চিমীয়া আধুনিক শিক্ষাৰীতিৰ প্ৰভাৱত নৈতিক আৰু আধ্যাত্মিক দৈন্যত ভুগিছে আৰু প্ৰকৃত জাতীয়তাবোধৰ অভাৱত সামাজিক জীৱন বিপৰ্যস্ত হৈছে।

স্বাধীনতা পোৱাৰ পৰা আজি অৰ্ধ শতিকা কাল পিছত দেশীয় গণতান্ত্ৰিক চৰকাৰে প্ৰবৰ্তন কৰা আধুনিক শিক্ষা ব্যৱস্থাৰে শিক্ষিত হোৱা লোকসকলেই আজি দেশৰ প্ৰশাসন, ন্যায়পালিকা আৰু কাৰ্য্যপালিকাৰ বিভিন্ন দায়িত্ব বহন কৰি আছে। দেশৰ আৰু দহৰ বিভিন্ন দিশত নেতৃত্ব দিয়া আৰু দেশৰ কৰ্ণধাৰৰ ভূমিকা গ্ৰহণ কৰি থকা এই লোক সকল আমাৰ দেশৰেই নাগৰিক - সকলো ভাৰতীয়। অথচ এই সকল লোকেই মেলিদিছে দূৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ পোহাৰ। এই সকল লোকৰ হাততেই শোষিত আৰু লাঞ্চিত হৈছে দেশৰ কৌটি কৌটি গৰীৱ জনসাধাৰণ। অৰ্থনৈতিক শোষণ-পীড়নত অতীষ্ঠ হৈ এচামে হুঙ্কাৰ দিছে সশস্ত্ৰ সংগ্ৰামৰ— আৰম্ভ হৈছে সন্ত্ৰাসবাদৰ ৰাজনীতি। সাম্প্ৰতিক কালত আমাৰ সমাজৰ এই উদ্‌গীৰণমুখী পৰিস্থিতিৰ অৱসান ঘটাই এখন শোষণ নিপীড়ন মুক্ত শান্তিপূৰ্ণ, প্ৰেম আৰু ভাতৃত্বৰ সুসংহত সমাজ গঠনৰ বাবে এক সৰ্বাত্মক শৈক্ষিক বিপ্লৱৰ সূচনা কৰিবৰ প্ৰয়োজন হৈ পৰিছে। তাকে কৰিবলৈ হলে আমাৰ শিক্ষানীতি এনেধৰণে সংস্কাৰ কৰি লব লাগিব যাতে পৰিবৰ্তিত শিক্ষানীতিয়ে মানুহৰ মগজু আৰু মনৰ উৎকৰ্ষ সাধন কৰাৰ লগতে চিত্ত আৰু হৃদয়ৰো উৎকৰ্ষ সাধন কৰে। সাহিত্য, শিল্প, বাণিজ্য, বিজ্ঞান,প্ৰযুক্তিবিদ্যা আদি বিষয়ৰ শিক্ষাই মানুহৰ বৌদ্ধিক বিকাশ ঘটাব পাৰে, কিন্তু চিত্ত আৰু হৃদয়ত প্ৰেম, দয়া, কাৰুণ্য, সহানুভূতি, মানৱতাবোধ আদি গুণৰাজিৰ স্ফুৰণ ঘটাবলৈ লাগে উচ্চ আধ্যাত্মিক আৰু নৈতিক আদৰ্শ। আধুনিক বিজ্ঞানে আমাৰ পাৰ্থিৱ জগতৰ সকলোবোৰ সা-সুবিধা প্ৰদান কৰিছে আৰু ভৌতিক জগতত মানুহক অকল্পনীয় উন্নতিৰ স্তৰলৈ লৈ গৈছে। কিন্তু মানুহৰ অন্তৰ্জগতত ই কোনো সুপ্ৰভাৱ পেলাব পৰা নাই। বৰং অনেক ক্ষেত্ৰত আধুনিক শিক্ষাৰে শিক্ষিত লোকসকল বিবেকহীন 'যন্ত্ৰ-মানৱ' বা 'ৰবট' লৈ পৰ্যবসিত হোৱাহে পৰিলক্ষিত হয়। এই বাস্তৱতাৰ প্ৰতি লক্ষ্য ৰাখিয়েই বোধহয় আধুনিক যুগৰ শ্ৰেষ্ঠ বৈজ্ঞানিক এলবাৰ্ট আইনষ্টাইনে কৈছিল- "Science without religion is blind, religion without science is lame".মানৱ সমাজৰ পৰম কল্যাণৰ কাৰণে যিদৰে ধৰ্ম আৰু বিজ্ঞানৰ সমন্বয় সাধন কৰা প্ৰয়োজন তেনেদৰে শিক্ষাৰ ক্ষেত্ৰতো বস্তুগত আৰু ভাৱগত দুয়োবিধ শিক্ষাৰ সমন্বয় সাধন কৰা প্ৰয়োজন।

চৰকাৰে আজিলৈকে যিহেতু প্ৰাথমিক পৰ্য্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্য্যায়লৈকে কোনো স্তৰতে আধ্যাত্মিক আৰু নৈতিক শিক্ষা দিয়াৰ ব্যৱস্থা কৰা নাই, ভাৰতবৰ্ষত অনেক স্বেচ্ছাসেৱী অনুষ্ঠান প্ৰতিষ্ঠানে নিজাবৰীয়াকৈ প্ৰচেষ্টা চলাই তেনে শিক্ষাৰ ব্যৱস্থা কৰিছে আৰু ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ অনেক শিক্ষাৰ্থী এই শিক্ষাৰ দ্বাৰা যথেষ্ট লাভবান হৈছে। এনেকুৱা শিক্ষা প্ৰদানৰ ব্যৱস্থা থকা বেচৰকাৰী শিক্ষানুষ্ঠান সমূহে ইতিমধ্যে ৰাইজৰ ব্যাপক সহাৰি পোৱা পৰিলক্ষিত হৈছে।

প্ৰাথমিক পৰ্য্যায়ৰ পৰা স্নাতক পৰ্য্যায়লৈ ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত প্ৰচলিত শিক্ষা ব্যৱস্থাৰ

ক্ষেত্ৰত এটি সমতা আৰু সামঞ্জস্য আনিবৰ বাবে আমাৰ ৰাষ্ট্ৰীয় চৰকাৰে ১৯৮৬ চনৰ পৰা ৰাষ্ট্ৰীয় শিক্ষানীতি (National Policy on Education) প্ৰৱৰ্ত্তন কৰিছে। এই নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি প্ৰৱৰ্তনৰ ক্ষেত্ৰত পাচটি লক্ষ্য নিৰ্দ্ধাৰণ কৰি লোৱা হৈছে- (১) শিক্ষাব্যৱস্থা মানুহৰ সৈতে অধিক সম্পৰ্কিত কৰা, (২) শিক্ষাৰ সুবিধা সম্প্ৰসাৰণৰ বাবে অবিৰত প্ৰচেষ্টা চলোৱা, (৩) সকলো পৰ্যায়ত শিক্ষাৰ মানদণ্ড উন্নীতকৰণৰ প্ৰচেষ্টা চলোৱা, (৪) বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নীতকৰণত গুৰুত্ব আৰোপ কৰা আৰু (৫) নৈতিক আৰু সামাজিক প্ৰমূল্য সমূহ অধ্যয়ন আৰু অনুশীলন কৰা। নতুন শিক্ষানীতিৰ জৰিয়তে ৰাষ্ট্ৰৰ সেৱা আৰু উন্নয়নত ব্ৰতী হ'ব পৰাকৈ আমাৰ যুৱক-যুৱতী সকলক জাতীয় চেতনাৰে উদ্বুদ্ধ সৎচৰিত্ৰবান আৰু দক্ষ নাগৰিকহিচাপে গঢ়ি তুলিব বিচৰা হৈছে। শিক্ষাৰ গাঠনিৰ ক্ষেত্ৰত ১০+২+৩ পদ্ধতিকে নতুন শিক্ষানীতিত গ্ৰহণ কৰা হৈছে। কিন্তু মাধ্যমিক পৰ্য্যায়লৈ থকা ১০ বছৰীয়া কালছোৱা প্ৰাথমিক, উচ্চ প্ৰাথমিক আৰু মাধ্যমিক স্তৰত ৫+৩+২ ধৰণে বিভক্ত কৰা হৈছে।

নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিত নৈতিকতাৰ শিক্ষা ব্যৱস্থা সন্নিবিষ্ট কৰা হৈছে যদিও আধ্যাত্মিকতাৰ শিক্ষা দিয়াৰ কোনো ব্যৱস্থা ৰখা হোৱা নাই। শিক্ষানীতি নিৰ্দ্ধাৰণ কৰা আমাৰ দেশৰ শিক্ষাবিদ আৰু কৰ্ণধাৰ সকলে দেশৰ পৰিস্থিতিৰ তাগিদাত পলমকৈ হলেও উপলব্ধি কৰিছে যে আমাৰ দেশৰ উঠি অহা নতুন পুৰুষ সকলক নৈতিকতাৰ শিক্ষাদিয়াৰ প্ৰয়োজন আছে। কিন্তু আধ্যাত্মিকতাৰ শিক্ষা দিয়াৰ প্ৰয়োজনীয়তা উপলব্ধি কৰাত হয়তো আৰু কিছু সময় লাগিব। 'ধৰ্মান্ধতা' আৰু 'আধ্যাত্মিকতা'ৰ প্ৰকৃত তাৎপৰ্য্য উপলব্ধি কৰিব পৰা হ'লে নীতি নিৰ্দ্ধাৰিক সকলে নৈতিকতাৰ লগতে হয়তো 'আধ্যাত্মিকতা'ৰ শিক্ষা ব্যৱস্থাও নতুন শিক্ষানীতিত ঠাই দিলেহেঁতেন। সি যি কি নহওক দেশৰ সুস্থ সচেতন নাগৰিক সকলে ব্যাপক জনমত গঠন কৰি হলেও শিক্ষানীতিৰ আমূল পৰিৱৰ্তন কৰি আমাৰ উত্তৰ পুৰুষ সকলক সুস্থ সৎ চৰিত্ৰবান আৰু সুদক্ষ নাগৰিক হিচাপে গঢ়ি তোলাৰ ব্যৱস্থা কৰিব লাগিব। □□





ৰঙিয়া মহাবিদ্যালয় আলোচনী

প্ৰবন্ধ

# ।।এহু ৰস মাধৱ মূৰুখমতি গাৱে।।

শ্ৰী দক্ষেশ্বৰ ডেকা
সাহিত্যশাস্ত্ৰী

শ্ৰীমন্ত শংকৰদেৱৰ প্ৰধানতম শিষ্য কৃষ্ণৈক নিলয় শ্ৰীমাধৱ দেৱৰ "নাম ঘোষা" অসমীয়া বৈষ্ণৱ সাহিত্যৰ মহামূল্যবান সম্পদ। ভক্তি ৰস সিদ্ধ ৰাহস্যিক মাধৱদেৱৰ হৃদয়ৰ গভীৰ তলিৰ পৰা নিগৰি ওলোৱা 'নামঘোষা' খনি ভক্তি ৰসৰ এক পৰিপূৰ্ণভাণ্ডাৰ। হাজাৰী ঘোষাৰ আদি মধ্য অৱদান সৰ্বত্ৰ পৰম উপাদেৱ ভক্তিৰসেৰে পূৰ্ণ হোৱাৰ। গ্ৰন্থখনিৰ আদিতে ৰসময়ী ভকতি কামনা কৰা হৈছে।

'মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি ।
সমস্ত মস্তক মণি     নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি ।।"

মুক্তিকো কামনা নকৰা নিৰ্গুণ ভকতক নমস্কাৰ জনাই ভক্ত কবিয়ে ৰসময়ী ভকতি বাঞ্ছা কৰিছে। অৱসন পৰ্য্যন্ত মধ্যভাগত সেই ৰসৰে গুণ-গান গাইছে।

১) 'পীয়ু-পীয়ু ভাই ভাৱক সকল হৰিনাম ৰস সাৰ।
যাক পাই মহা মহন্তে কৰয় মুকুতিকো পৰিহাৰ।।'

২) "হৰি ও তুমি আনন্দ সিন্ধু-
হামো ভিক্ষাৰী মাগো এক বিন্দু।"

৩) "হে হে পৰমানন্দ কৃষ্ণ কৃপা সিন্ধু।
ভকতি আনন্দ ৰস মাগো একবিন্দু।।"

৪) "তুমি প্ৰভু কৃপা ৰসেৰ সাগৰ হৰিএ।"

৫) "তযুপদ সেৱা পৰম অমিয়া ৰঘ"

৬) "ৰাম কৃষ্ণ নাম ৰসক লভিয়া মুকুতিকো

> ................ আনন্দই ব্ৰহ্মাৰ স্বৰূপ। সৎ (অস্তিত্ব), চিৎ (ভানম/জ্ঞানম) আৰু আনন্দ (প্ৰিয়)- এই তিনিটা ব্ৰহ্মাৰ ৰূপ। একে ব্ৰহ্ম বস্তুৰে এই তিনিটা ৰূপ। জগতৰ প্ৰত্যেক বস্তুৰে নাম আৰু ৰূপ আছে ............... গতিকে দেখা গ'ল ৰসময় ব্ৰহ্মাই আনন্দ। ৰসো ব্ৰহ্ম ৰসং লব্ধানন্দী ভৱতি নান্যথা।' (পঞ্চদশী) (ৰসেই ব্ৰহ্ম, ৰস লাভ কৰি আনন্দিত হয়, অন্যাৰ পৰা নহয় ..................) ।

নগণয়।

ৰাম কৃষ্ণ নাম পৰম আনন্দ সমুদ্ৰে মজি থাকয়।।" ইত্যাদি।

এইদৰে সৰ্বত্ৰ আনন্দ সিন্ধু ভগৱন্তৰ ৰসস্বৰূপতা-উদাত্ত কণ্ঠে ঘোষণা কৰিছে। নিজে সেই ৰস পান কৰি সকলো ভক্তকে পান কৰিবলৈ মুক্ত কণ্ঠে আহ্বান জনাইছে।

নামঘোষাৰ সামৰণি পৰিছে ৰস প্ৰাপ্তিৰ স্বীকৃতিৰে। যি ৰসময়ী ভক্তি ৰাহস্যিক মাধৱদেৱে গ্ৰন্থাৰম্ভত মাগিছে সেই ৰসসমুদ্ৰত তেওঁ শেষত নিমজ্জিত হৈছে। সেয়ে তেওঁ গাইছে-

*"জানিয়া ভজিয়ো ভাই ভগৱন্ত পাৰে।*
*এহু ৰস মাধৱ মুকুখমতি গাৰে।।"*

ভক্ত কবিৰ হৃদয় পৰশি যোৱা এই ৰসনো বাৰু কি ?

*ব্ৰহ্ম এব ৰসঃ।* *"ৰসো ব্ৰহ্ম ৰসং লব্ধানন্দী 'ভৱতি নান্যথা'*
*'ৰসৌ বৈ সঃ। ৰসং হেৎৱায়ং লব্ধানন্দী ভৱতি।'*
*তৈত্তিৰীয়ো পনি যৎ।*

ইয়াৰে শংকৰাচাৰ্য্য ভগৱৎপদে ভাষ্য লিখিছে

"ৰসোনাম তৃপ্তিহেতু সানন্দ কৰো মধুৰাম্লাদিঃ প্ৰসিদ্ধোলোকে। ৰসমেৰ হি অয়ং লব্ধা প্ৰাপৎ আনন্দী মুখী ভৱতি। নামত আনন্দহেতুং দৃষ্টংলোকে। বাহ্যানন্দ মাধন ৰহিতা অপৎনীহা নিৰেষণা ব্ৰাহ্মণা বাহৎ ৰস লাভাদিব সানন্দা দৃশ্যন্তে বিদ্বাংস ঃ, নূনং ব্ৰহ্মৈৱ ৰসস্তেষাম্। তস্মাদস্তি তত্তেৰামানন্দ কাৰণং ৰসবদ্বক্ষ।" জগতত ইন্দ্ৰিয়ৰ তৃপ্তিমাধব মধুৰ, অম্ল আদি ৰস নামে প্ৰসিদ্ধ। এই ৰসপ্ৰাপ্ত হৈ মানুহ সুখী হয়। কিন্তু যিসকল নিস্কাম বিদ্বান তেওঁলোকৰ বাহ্য ৰস অবিহনে সুখ বা আনন্দ দেখা যায়। তেওঁলোকৰ ব্ৰহ্মাই ৰস। আনন্দময় ব্ৰহ্মাক পাই তেওঁলোকে ভয়মুক্ত হয়। যি ব্ৰহ্মাক মনৰ সৈতে বাগিন্দ্ৰই ঢুকি নাপায়, সেই আনন্দময় ব্ৰহ্মাক লাভ কৰি বিদ্বান সকলে কাকো ভয় নকৰে।

*"যতো বাচো নিবৰ্ত্তন্তে। অপ্ৰাপৎ মনসা সহ।*
*আনন্দং ব্ৰহ্মানো বিদ্বান। ন বিভেতি কুতশনেতি।'*

সেয়ে শ্ৰীমদ্ভাগৱতত দেখা যায় ভগৱন্তৰ নৰসিংহ মূৰ্ত্তিৰ যি ভয়ঙ্কৰ ৰূপ দেখি ব্ৰহ্মাদি দেৱতা সকল এস্তমান হৈছিল ব্ৰহ্মবেত্তা পৰমভক্ত প্ৰহ্লাদে অলপো ভয় পোৱা নাই।

আনন্দই ব্ৰহ্মাৰ স্বৰূপ। সৎ (অস্তিত্ব), চিৎ (ভানম/জ্ঞানম্) আৰু আনন্দ (প্ৰিয়)- এই তিনিটা ব্ৰহ্মাৰ ৰূপ। একে ব্ৰহ্ম বস্তুৱে এই তিনিটা ৰূপ। জগতৰ প্ৰত্যেক বস্তুৰে নাম আৰু ৰূপ আছে। সেয়ে বেদান্ত দৰ্শনে কয়-

*"অস্তিভাতি প্ৰিয়ং ৰূপং নাম চেত্যংশ পঞ্চকম্।*
*আদ্যত্ৰয়ং ব্ৰহ্ম ৰূপং জগন্দুপমত্যেদ্বয়ম্।।*

অস্তি (সৎ মত্তা) ভাতি (জ্ঞান/চৈতন্য) আৰু প্ৰিয়ম্ (আনন্দ) এই তিনিটা ব্ৰহ্মাৰ ৰূপ। নিৰতিশয় ভূমাই ব্ৰহ্ম আৰু যাৰ অতিশয় আছে সেইটোৱে মৰ্ত্ত্য। নাম আৰু ৰূপ - এই দুটা জগতৰ ৰূপ।

*তৈত্তিৰীয় উপনিষদে পুণৰ কৈছে -*

*"আনন্দো ব্ৰহ্মেতি ব্যজানাৎ। আনন্দাদ্ধেৱে খল্বি মানি ভুতানি জায়ন্তে। আনন্দেন জাতানি জীৱন্তি। আনন্দং প্ৰয়ন্ত্য ভিসং বিশন্তীতি।"*

আনন্দস্বৰূপ পৰমব্ৰহ্মাৰ অংশৰূপে প্ৰত্যেক জীৱৰে আনন্দালিপ্সা বিদ্যমান। পুত্ৰবিত্তাদি বস্তু আত্মাৰ বাবেই জীৱৰ প্ৰিয় হয়। পুত্ৰৰ নিজৰ প্ৰতিবিম্ব দেখে বাবে মানুহৰ পুত্ৰ প্ৰিয়। তুলনীয় - ন বা অৰে পুত্ৰানাং কামায় পুত্ৰাংঃ কামায় পুত্ৰাঃ প্ৰিয়া ভৱন্ত্যাত্মনস্ত কামায় পুত্ৰা প্ৰিয়া ভৱন্তি। ন বা অৰে বিত্ত সৎ কামায় বিত্তং প্ৰিয়ং ভৱত্যাত্মনস্ত কামায় বিত্তং প্ৰিয়ং ভৱতি।

...... *ন বা অৰে ব্ৰহ্মাণঃ কামায় ব্ৰহ্ম প্ৰিয়ং*





*ভৱতি, আত্মানস্ত কামায় ব্ৰহ্ম প্ৰিয়ং ভৱতি। .... নবা অৰে সৰ্বসং কামায় সৰ্বং প্ৰিয়ং ভৱতি, আত্মনস্ত কামায় সৰ্বং প্ৰিয়ং ভৱতি।" (বৃহদাৰন্যকোপনিষৎ)*

গতিকে দেখা গ'ল ৰসময় ব্ৰহ্মাই আনন্দ। ৰসো ব্ৰহ্ম ৰসং লব্ধানন্দী ভৱতি নান্যথা।' (পঞ্চদশী) (ৰসেই ব্ৰহ্ম, ৰস লাভ কৰি আনন্দিত হয়, অন্যৰ পৰা নহয়)।

মাধৱদেৱৰ ভজনীয় দেৱ কৃষ্ণ সমস্ত ৰসৰ সাগৰ! কৃপা ৰসৰ সাগৰ কৃষ্ণৰ পদছায়াত ঠাই অলপ বিচাৰি তেওঁ আকুলকণ্ঠে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনাইছে। ভাগৱত পুৰাণে কয় যে অদ্বয় জ্ঞানেই ব্ৰহ্ম। বেদান্তৰ ব্ৰহ্ম, যোগশাস্ত্ৰৰ পৰমাত্মা আৰু ভক্তি শাস্ত্ৰৰ ভগৱান- একেই পৰমতত্ত্ব।

*"বদন্তি তত্তত্ত্ব বিদস্তত্ত্বং যজ জ্ঞানম দ্বয়ম্।*
*ব্ৰহ্মতি পৰমাত্মেতি ভগৱানিতি শব্দ্যতে।।"*

*সচ্চিদানন্দ স্বৰূপ অদ্বয় তত্ত্বই কৃষ্ণ।*
*"ঈশ্বৰ ঃ পৰম ঃ কৃষ্ণ ঃ সচ্চিদানন্দ বিগ্ৰহঃ।*
*অনাদি ৰাদি গোৱিন্দ ঃ সৰ্বকাৰণ কাৰণম্।।'*

মুৰ্ত্তিমান আনন্দ কৃষ্ণই সমস্ত জগতৰ সাৰ, ভয় ভয়হাৰী কৃষ্ণ একদেৱ ভয়হাৰী কালমায়া আদিৰে অধিকাৰী।

*কৃষ্ণ বিনে শ্ৰেষ্ট দেৱ নাহি আৰ।*
*সৃষ্টি স্থিতি অন্তকাৰী দেৱ আন্ত বিনে আন নাহি দেৱ।*
*জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ।।"*

এই ৰাম কৃষ্ণ নামত অৱগাহনকাৰীজন আনকি মুক্তি সুখকো কামনা নকৰে।

*ৰামকৃষ্ণ নাম লভিয়া মুকুতিকো নগণায়।*
*ৰামকৃষ্ণ নাম পৰম আনন্দ সমুদ্ৰে মজি থাকয়।"*

গতিকে সমগ্ৰ নামঘোষা ৰসময় কৃষ্ণ সমুদ্ৰত নিমজ্জিত মাধৱদেৱৰ ৰসময়ী ভক্তিৰে প্লাৱন।

❑❑

## মহৎ লোকৰ বাণী

" আঠুকাঢ়ি জীয়াই থকাতকৈ ঠিয় হৈ মৃত্যুবৰণ কৰাই হেজাৰ গুণে শ্ৰেষ্ঠ"

- এমিলিয়ান জাপিটি

" লোকৰ দোষ ধৰাটো বুদ্ধিমানৰ কাম কিন্তু নিজক পবিত্ৰ কৰাটো তাতোকৈ বুদ্ধিমানৰ কাম"

- মহাত্মা গান্ধী

" সুস্থ দেহত সুস্থ মনৰ বিকাশ কৰাটোৱে শিক্ষাৰ উদ্দেশ্য"

- এৰিষ্ট'টল

শ্ৰীডিম্বেশ্বৰ কলিতা।
স্নাতক, ১ম বৰ্ষ (কলা)

প্ৰবন্ধ

# ।।বৈজ্ঞানিক আৱিষ্কাৰ আৰু প্ৰদূষণৰ উৎস।।

শ্ৰী বীৰেন্দ্ৰ নাথ শৰ্মা
এম. এল. আই. এচ. চি.
গ্ৰন্থাগাৰিক

বিজ্ঞান আৰু বৈজ্ঞানিক মানসিকতাৰ ফলত মানুহৰ মনৰ পৰা ধৰ্মান্ধতা, কু-সংস্কাৰ, কূপমণ্ডুকতা আদি আঁতৰি যায়। যিবোৰ কথা অৰ্থহীন, যিবোৰ নিয়মৰ বৈজ্ঞানিক ভিত্তি নাই সেইবোৰ বিজ্ঞানে প্ৰত্যাখান কৰে। বিজ্ঞান বুলিলে কোনো ঘটনা বা তত্বৰ মূল উৎস অনুধাৱন কৰি শৃংখলাবদ্ধভাৱে সজোৱা আৰু শ্ৰেণীবিভাগ কৰাকে বুজোৱা হয়।

ব্যৱহাৰ নকৰিলে মানুহৰ উন্নতমান দণ্ডৰ জীৱন নিৰ্বাহ মিছা। বৈজ্ঞানিক আৱিষ্কাৰে আমাৰ দৈনন্দিন জীৱনক আমাৰ বিলাসৰ ৰম্য ভূমিত পৰিণত কৰিছে, ব্যৱহাৰিক জীৱনত আৱশ্যক জ্ঞান আগবঢ়াইছে। বিজ্ঞানে আমাক সৃষ্টিৰ তত্ব, নৃতাত্বিক ঐতিহাসিক জ্ঞান, দিন-ৰাতিৰ আবিৰ্ভাৱ, গ্ৰহ-নক্ষত্ৰৰ ৰহস্যৰ সন্ধান দিছে। ৰকেটেৰে মানুহে মহাকাশত বিচৰণ কৰিব লাগিছে। জোনৰ বুকুত ভৰি দিছে

> .................. বিজ্ঞান হৈছে প্ৰগতিৰ মূল মন্ত্ৰ। বিজ্ঞানৰ জয় যাত্ৰাই সভ্যতাৰ ইতিহাস..............। বৈজ্ঞানিক আৱিষ্কাৰ সমূহ সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডৰ জীৱ-জগতৰ উন্নতিৰ বাবে ব্যৱহাৰ হলেও এই আৱিষ্কাৰ সমূহে প্ৰাকৃতিক জগতত প্ৰদূষণৰ সৃষ্টি কৰিব। বহুক্ষেত্ৰত দেখা যায়- বৈজ্ঞানিক আৱিষ্কাৰ সমূহেই প্ৰদুষণৰ উৎস হৈ পৰে ...............।

মানুহৰ জীৱন ধাৰণৰ প্ৰণালী উন্নত হোৱাৰ মূলতে হ'ল বিজ্ঞান। বিজ্ঞানৰ অৱদান সমূহৰ অবিহনে আজি মানৱ সমাজৰ প্ৰগতি সম্ভৱ নহয়। মানৱ সভ্যতাৰ ক্ৰম বিকাশৰ লগে লগে মানুহৰ জীৱন ধাৰণৰ মানো উন্নতৰ হ'বলৈ ধৰিছে। জল-স্থল, আকাশ-বতাহ সকলোবোৰতে আজি বিজ্ঞানৰ ৰাজত্ব। দৈনন্দিন জীৱনত বিজ্ঞানৰ অৱদান সমূহ

আৰু অন্যান্য গ্ৰহৰ বুকুতো খোপনি পুতিবলৈ প্ৰয়াস কৰিছে। বিজুলী, ৰন্ধন গেছ, টেলিভিচন, টেলিফোন ইত্যাদি বিজ্ঞানৰ অৱদান সমূহ অবিহনে মানুহৰ পাৰিবাৰিক জীৱন বহুতো কষ্টকৰ হৈ পৰিব। উদ্যোগ সমূহ স্থাপন নকৰিলে নিবনুৱা সমস্যা প্ৰকট হৈ পৰিব। আনহাতে দৈনন্দিন জীৱন নিৰ্বাহৰ বাবে বহুতো আৱশ্যাকীয় বস্তু পোৱা নেযাব।





বিজ্ঞান হৈছে প্ৰগতিৰ মূল মন্ত্ৰ। বিজ্ঞানৰ জয় যাত্ৰাই সভ্যতাৰ ইতিহাস। বিজ্ঞানৰ অৱদান উন্নতৰ যান-বাহনৰ গুণত আজি দেশ-বিদেশৰ লগতে যাতায়ত সম্ভৱ হৈছে। অনাতাঁৰ, টেলিফোন, টেলিভিচনে যোগা-যোগ সহজ কৰি তুলিছে। মুদ্ৰা যন্ত্ৰৰ আৱিষ্কাৰৰ ফলত কিতাপ আৰু বাতৰি কাকত প্ৰকাশ আৰু প্ৰচাৰ ব্যাপক হৈ মানুহৰ ভাৱ বিনিময়ৰ বিশেষ সুযোগ ঘটিছে। বিজ্ঞানে নানা দূৰাৰোগ্য ব্যাধি নিৰাৱণ কৰিবলৈ সক্ষম হৈছে। বিজ্ঞানে মানুহৰ চিন্তাৰ ন-দিগন্ত উন্মোচন কৰিছে। পুৰণি কলীয়া অন্ধ-বিশ্বাস আৰু সেই অন্ধ বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত জীৱনৰ তথা কথিত প্ৰমূল্য কিছুমানৰ ভিকাছন্ন ভাগি বিজ্ঞানে জীৱনক নতুন প্ৰমূল্য দান কৰিছে।

এইদৰে দেখা যায় বিজ্ঞানৰ আৱিষ্কাৰৰ অগ্ৰগতি আৰু ব্যৱহাৰৰ ফলত মানৱ সমাজ প্ৰগতি পথত আগবাঢ়ি গৈ আছে। দৈনন্দিন জীৱনত বিজ্ঞানৰ ব্যাপক ব্যৱহাৰ অপৰিহাৰ্য্য হৈ পৰিছে। কিন্তু এই বিজ্ঞানৰ আৱিষ্কাৰ সমূহৰ অপ প্ৰয়োগৰ ফলত আমাৰ প্ৰাকৃতিক পৰিবেশ অস্বাস্থ্যকৰ হৈ পৰিব ধৰিছে। দেশত উদ্যোগীকৰণ নকৰিলে নিবনুৱা সমস্যাৰ সমাধান নহয়। আনহাতে ব্যাপক উদ্যোগীকৰণৰ ফলত আজি বিশ্বৰ উন্নত আৰু উন্নয়নশীল দেশ সমূহৰ প্ৰাকৃতিক পৰিবেশ প্ৰাণী জগতৰ স্বাস্থ্যৰ বাবে ক্ষতিকাৰক হৈ পৰিব ধৰিছে।

বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ভয়াবহ আৱিষ্কাৰবোৰৰ ফলত আজি মানৱ সভ্যতা বিপন্ন হোৱাৰ আশংকাই দেখা দিছে। ৰাষ্ট্ৰসংঘৰ পাৰিপাৰ্শ্বিকতা সংস্থাৰ অধ্যয়নৰ পৰা দেখা যায় যে মানুহেই প্ৰাকৃতিক পৰিবেশ নষ্ট কৰি আছে। জীৱ শ্ৰেষ্ঠ মানুহৰ দ্বাৰাই প্ৰাণীজগত আৰু উদ্ভিদ জগত বিপন্ন হ'ব ধৰিছে। প্ৰতিকুল পৰিবেশৰ গৰাহত পৰি ইতিমধ্যে বহু দুৰ্লভ আৰু দুষ্প্ৰাপ্য পশু-পক্ষী আৰু উদ্ভিদৰ বংশ লুপ্ত হৈছে।

বৰ্ত্তমান যুগ পাৰমাণবিক যুগ। দৰাচলতে দ্বিতীয় মহাসমৰৰ পিছৰ পৰাই পাৰমাণৱিক যুগৰ সূচনা হয়। পাৰমাণৱিক বোমা বৰ্ষণৰ ফলত জাপানৰ হিৰোচিমা আৰু নগাচাকি নগৰ দুখন বিধ্বস্ত হোৱাৰ উপৰিও পাৰমাণৱিকৰ প্ৰবল প্ৰতিক্ৰিয়াত ভূ-খণ্ডৰ মানুহ, জীৱ-জন্তু আৰু উদ্ভিদাদিৰ সুস্থ অস্তিত্ব বিপন্ন হৈ পৰিছিল। আটাইতকৈ ভয়াবহ কথা হ'ল বোমা বৰ্ষণৰ প্ৰায় তিনিদশক পিছলৈকে বায়ুমণ্ডলত তেজস্ক্ৰিয় বিকীৰণ হৈ এক লাখ মানুহ মৃত্যু মুখত পৰে আৰু অসংখ্য মানুহ তেজস্ক্ৰিয় বিকীৰণৰ ফলত নানা অস্বাভাৱিক বেমাৰত জীয়াতু ভোগে। এই বিষময় পৰিণামৰ কথা জানিও বিজ্ঞানীসবে 'নিউটন নেপাম' আদি পাৰমাণৱিক বোমা প্ৰস্তুত কৰি আছে। ৰাজনৈতিক নেতাসবে বিস্ফোৰণৰ প্ৰতিদ্বন্দিতা চলাই বায়ুমণ্ডল বিষময় আৰু প্ৰাণঘাতী কৰি তুলিছে। কাঠ, কয়লা কিম্বা পেট্ৰ'লিয়াম দহনৰ ফলত বায়ুমণ্ডল যি পৰিমাণে প্ৰদুষণৰ সৃষ্টি হৈছে, পাৰমাণৱিক দহনৰ ফলত প্ৰদূষণৰ পৰিমাণ তাতকৈ লাখগুণে বেছি। বায়ুমণ্ডলৰ উৰ্ধলোকত ক্ৰমাগত ৰকেট নিক্ষেপন, মহাকাশ অভিযান, উপগ্ৰহ নিক্ষেপন, বিমান চলাচল আদিৰ ফলত 'ষ্ট্ৰাটোস্ফিয়াৰৰ প্ৰাণ-প্ৰদায়ী মহা মূল্যৱান গেছ 'ওজোন'ৰ মাত্ৰা আৰু ভাৰসাম্যতা নাইকিয়া হ'ব ধৰিছে। ইয়াৰ ফলত সূৰ্য্যৰ 'আলট্ৰা ভায়োলেট ৰে' অবাধে ভূ-পৃষ্ঠত সিচঁৰিত হৈ উদ্ভিদ আৰু প্ৰাণীজগতৰ পক্ষে মাৰাত্মক হৈ পৰাৰ আশংকা হৈছে।

যান্ত্ৰিক সভ্যতাৰ লগে লগে মানুহৰ সমাজত চিন্তা-চৰ্চাৰো পৰিবৰ্ত্তন হ'ল। কল-কাৰখানা যন্ত-পাতি আদি প্ৰগতিৰ অবিচ্ছেদ্য সমল। ভাৰতৰ শিল্পাঞ্চল সমূহৰ কল কাৰখানাত ব্যাপকভাবে কয়লাৰ ব্যৱহাৰৰ ফলত আকাশ বতাহ ধোৱা কোৱা কৰি বিষময় পৰিবেশৰ সৃষ্টি কৰিছে। তেল শোধানাগাৰ কাগজৰ কল, চিমেন্ট কাৰখানা আদি

বৃহৎ উদ্যোগবোৰৰ পৰা নিসৃত দুৰ্গন্ধময় পদাৰ্থবোৰে সেই অঞ্চলৰ পাৰিপাৰ্শ্বিকতা আৰু খেতি পথাৰ আদিৰ প্ৰভূত ক্ষতি সাধন কৰিছে। ১৯৮৪ চনৰ ডিচেম্বৰত ভূপালত সংঘটিত হোৱা 'ইউনিয়ন কাৰ্বাইড' কোম্পানীৰ গেছ দুৰ্ঘটনাৰদ্বাৰা বায়ুমণ্ডল প্ৰদূষিত হৈ সহস্ৰাধিক লোকে প্ৰাণ হেৰুৱাইছে, দুই লাখতকৈ অধিকলোকে আজিও জীয়াতু ভুগি আছে আৰু অনেক পশু-পক্ষী মৃত্যুমুখত পৰিছে।

অসমত শিল্পোদ্যোগ সমূহৰ ভিতৰত তেল, কয়লা, কাগজ, চিমেন্ট আৰু সাৰ উদ্যোগ কেইটাই সৰ্বপ্ৰধান। উজনি অসমৰ তৈলক্ষেত্ৰ সমূহত খনন আৰু পৰিশোধন কাৰ্য্যব্যৱস্থাত সৃষ্টি হোৱা অপদ্ৰব্য সমূহে বায়ু, পানী আৰু মাটি তিনিওটা ক্ষেত্ৰতে কিছু পৰিমানে প্ৰদূষণৰ সৃষ্টি কৰিছে আৰু স্থানীয় পৰিবেশৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছে। তেল খনন কাৰ্য্যৰ ফলত সৃষ্টি হোৱা অপদ্ৰব্য সমূহত তেল, গ্ৰীজ, বোকা আদি মিহলি হৈ থাকে আৰু ই খেতি পথাৰ, জান-জুৰি প্ৰদূষিত কৰে। উদ্ভিদ আৰু প্ৰাণীজগতৰ হানি কৰে, খোৱা পানীৰ উৎসবোৰ ধ্বংস কৰে। তেল খাদ্যৰ পৰা নিৰ্গত প্ৰাকৃতিক গেছবোৰক জ্বলাই দিয়াৰ ফলত বায়ু দূষিত হয়। পাটকাই পাহাৰত হোৱা মুক্ত কয়লা খনন কাৰ্য্যৰ ফলত নানা প্ৰদূষণ সমস্যাৰ সৃষ্টি হৈছে। নামৰূপৰ সাৰ প্ৰস্তুত কাৰখানাৰ ফলতো স্থানীয় ভাৱে জল, মাটি আৰু বায়ুৰ প্ৰদূষণ ঘটিছে। এই কাৰখানাৰ উৎপাদন প্ৰক্ৰিয়াৰ ফলত সৃষ্টি হোৱা অপদ্ৰব্য সমূহৰ ভিতৰত ক্ৰ'মিয়াম, অৰ্চেনিক, ইউৰিয়া, এম'নিয়া মিশ্ৰিত পদাৰ্থ সমূহ প্ৰদূষণৰ প্ৰধান উৎস। গুৱাহাটী মহানগৰীৰ মাজেদি বৈ গৈ দীপৰ বিলৰ পৰা ভৰলু নদীয়েও উদ্যোগিক অপদ্ৰব্য আৰু ঘৰুৱা তথা নগৰীয়া আৱৰ্জনাবোৰ কঢ়িয়াই ভয়াবহ প্ৰদূষণৰ সৃষ্টি কৰিছে। জাগীৰোড আৰু পঞ্চগ্ৰামৰ কাগজ কল দুটাই ৰাজ্যখনৰ বনজ সম্পদৰ ওপৰত বৰ্দ্ধিত হাৰত চাপ দিয়াৰ উপৰিও স্থানীয়ভাৱে প্ৰাকৃতিক পৰিবেশ হানি কৰি প্ৰদূষণ সৃষ্টি কৰিছে। এই উদ্যোগৰ পৰা নিঃসৃত চালফিউৰিক এছিদ, পাৰা, ইউৰীয়া, চুণৰ ফচ্‌ফেট্‌ আদি ৰাসায়ণিক দ্ৰব্যসমূহ জীৱ আৰু উদ্ভিদৰ বাবে অতি ক্ষতিকাৰক। ইয়াৰ পৰা নিৰ্গত ছালফাৰডাই অক্সাইড জাতীয় গেছীয় প্ৰদূষক সমূহ ৰাইজৰ বাবে উদ্বেগৰ কাৰণ হৈ পৰিছে।

অসমৰ বোকাজানত থকা চিমেন্ট কাৰখানাইও বিস্তৰ ৰূপত ধূলি প্ৰদুষণৰ সৃষ্টি কৰিছে। এনেদৰে ধূলি প্ৰদূষণ হোৱাৰ ফলত যক্ষ্মা, এজমা, ব্ৰংকাইটিচ, চৰ্মৰোগ আদি ব্যাধিয়ে স্থানীয় লোকসকলৰ স্বাস্থ্য হানি কৰাৰ আশংকা কৰা হৈছে। মটৰ গাড়ীৰ গেৰেজ, হস্পিতেল, পৰিবহন প্ৰতিষ্ঠান আদি উদ্যোগ সমূহেও প্ৰদূষণ বঢ়োৱাত সহায় কৰিছে। ইয়াৰ উপৰি বাট পথত চলাচল কৰি থকা লক্ষাধিক যান্ত্ৰিক যান-বাহন বোৰেও প্ৰদূষণৰ মাত্ৰা বৃদ্ধি কৰি আছে।

বৈজ্ঞানিক আৱিষ্কাৰ সমূহ সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডৰ জীৱ-জগতৰ উন্নতিৰ বাবে ব্যৱহাৰ হলেও এই আৱিষ্কাৰ সমূহে প্ৰাকৃতিক জগতত প্ৰদূষণৰ সৃষ্টি কৰিব। বহুক্ষেত্ৰত দেখা যায়- বৈজ্ঞানিক আৱিষ্কাৰ সমূহেই প্ৰদুষণৰ উৎস হৈ পৰে। প্ৰদূষণৰ প্ৰতি লক্ষ্য ৰাখি বৈজ্ঞানিক আৱিস্কাৰ সমূহৰ ব্যৱহাৰ কৰিব পাৰিলেহে বিজ্ঞানক প্ৰকৃততে জীৱ-জগতৰ কল্যাণৰ বাবে ব্যৱহাৰ কৰা হ'ব। ❑❑





প্ৰবন্ধ

# ৰেগিং ঃ এক সামাজিক ব্যাধি

শ্ৰীঅৰ্চ্চনা লহকৰ
*স্নাতক, প্ৰথম বৰ্ষ (কলা)*

'ৰেগিং' এইটো এটা সৰু শব্দ। কিন্তু আজিৰ সমাজত ইয়াৰ অৰ্থ বিশাল। এই সৰু শব্দটোৱে বৰ্তমান সমাজৰ প্ৰায় ৭০ % লোকৰ মাজত এক আলোড়নৰ সৃষ্টি কৰিছে। সাধাৰণতে ইয়াক এক চা-চিনাকিৰ মাধ্যম বুলিয়ে কোৱা হয় যদিও প্ৰক্ৰিয়াবোৰ অতি ভয়ানক। বৰ্তমান প্ৰতিখন বিদ্যালয়, মহাবিদ্যালয় তথা বিশ্ববিদ্যালয়ৰ দৰে উচ্চস্তৰৰ শিক্ষানুষ্ঠানবোৰতো এই ৰেগিঙৰ প্ৰচলন চলি আছে। যি সকল ব্যক্তিৰ ওপৰত বৰ্তমানলৈকে ইয়াৰ প্ৰভাৱ প্ৰত্যক্ষ বা পৰোক্ষ ভাবে পৰা নাই তেওঁলোকে ইয়াক মাথো এক নিৰ্দোষ ধেমালিৰ নাম দিব বিচাৰে, কিন্তু প্ৰকৃততে ইয়াৰ এটা বেলেগ ৰূপহে পৰিলক্ষিত হয়।

**................ কিন্তু এতিয়া প্ৰশ্ন হ'ল, এই ৰেগিঙৰ ভয়াবহ পৰিণামৰ বাবে দায়ী কোন? ............এই শিক্ষাৰ পৰিৱেশ দূষিত কৰা ৰেগিং ৰূপী দৈত্যটোক বাধা দিয়াত কিমান দূৰ ফলৱতী হ'ব পাৰিছে? ................ আহক আমি সকলোৱে আজিৰ শিক্ষা সমাজত প্ৰচলিত হৈ থকা এই নিষ্ঠুৰ 'ৰেগিঙৰ' ভয়ানক আতংকক দূৰ কৰাৰ সংকল্প লওঁ ................।**


প্ৰতি বছৰে হেজাৰ হেজাৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা আহৰণৰ বাবে ভিন ভিন শিক্ষানুষ্ঠানবোৰলৈ ঢাপলি মেলে। তেওঁলোকে নানা ঠাইৰ পৰা এই শিক্ষানুষ্ঠান সমূহলৈ আহে অন্তৰত ভৱিষ্যতৰ এক সেউজ সপোন লৈ। আমাৰ সমাজত এটি বাক্যৰ প্ৰচলন আছে যে 'ভৰা কথা নহয় সিদ্ধি বাটত আছে কণা বিধি'। আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাটত বিধি স্বৰূপ হ'ল ৰেগিং নামৰ বিষয়টো। সাধাৰণতে দেখা যায় যে স্কুল-কলেজৰ এচাম দুষ্ট প্ৰকৃতিৰ ছাত্ৰ-ছাত্ৰীয়ে নতুন চামৰ ওপৰত এই ৰেগিঙৰ এক নিষ্ঠুৰ প্ৰচলন চলায়। চা-চিনাকিৰ সুযোগ লৈ তেওঁলোকে প্ৰদৰ্শন কৰা কাৰ্য্য কলাপত এক বিকৃত মানসিকতাৰ ৰূপ পৰিস্ফুট হয়। যুৱ সমাজত এনে ধৰণৰ মানসিকতাই কিমান বেয়া প্ৰভাৱ পেলাব পাৰে তাক কোৱাটো নিষ্প্ৰয়োজন। ৰেগিঙৰ নামত এচাম ছাত্ৰ-ছাত্ৰীৰ ওপৰত বিভিন্ন ধৰণৰ অত্যাচাৰ কৰা হয়। যাৰ ফলত কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীৰ মানসিক ভাৰসাম্য হেৰাই যায় আৰু তেওঁলোকক বাধ্য কৰোৱা হয় সেই শিক্ষানুষ্ঠান ত্যাগ কৰিবলৈ।

তেওঁলোকৰ সেই ভৱিষ্যতৰ ৰঙীন সপোন যেন এক সপোন ৰূপেই ৰৈ যায়। উচ্চ শিক্ষা গ্ৰহণৰ সকলো আশা-আকাংশা যেন মনৰ মাজতেই স্তব্ধ হৈ ৰয়।

কিন্তু এতিয়া প্ৰশ্ন হ'ল, এই ৰেগিঙৰ ভয়াবহ পৰিণামৰ বাবে দায়ী কোন? প্ৰকৃততে ইয়াৰ উত্তৰ বিচাৰিলে আমি জানিবলৈ পাম যে বৰ্তমান আমাৰ সমাজ ব্যৱস্থাই ইয়াৰ প্ৰধান দোষী স্বৰূপ। এহাতে কিছুমান দুষ্ট লোকৰ বৰ্বৰতা আৰু আনহাতে এচাম লোকৰ ভিৰুতা। তাৰোপৰি আজিৰ সমাজ ব্যৱস্থা ইমানে কলুষিত হৈ পৰিছে যে ইয়াৰ প্ৰভাৱে বৰ্তমানৰ যুৱমানসিকতাক ৰোগাক্ৰান্ত কৰি তুলিছে। আনহাতে আজিৰ শিক্ষানুষ্ঠানবোৰৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ ' মাজৰ সম্বন্ধ অতিকৈ ঠুনুকা। এই দুয়োটাৰ সম্বন্ধ এনে এটা স্তৰত আছে য'ত উভয় পক্ষৰ মাজত কোনো সহায় সহযোগিতা দেখাটো এক বিৰল ঘটনা যেন লাগে। কিন্তু যদিহে আজিৰ শিক্ষা ব্যৱস্থাক পৰিস্কাৰ কৰিব লগা হয় তেন্তে শিক্ষক সকলে ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ গঠনত সম্পূৰ্ণ সহায় সহযোগ আগবঢ়াব লাগিব। বৰ্তমান প্ৰায়বোৰ শিক্ষানুষ্ঠানতে মহাবিদ্যালয় হওক বা বিশ্ববিদ্যালয়তে ছাত্ৰ একতা সভাৰ সহায়ত বিভিন্ন কাৰ্য্যাৱলী গ্ৰহণ কৰা দেখা যায়। কিন্তু এই ছাত্ৰ একতা সভাৰ কৰ্মীবৃন্দ সকলেই বা এই শিক্ষাৰ পৰিৱেশ দূষিত কৰা ৰেগিং ৰূপী দৈত্যটোক বাধা দিয়াত কিমান দূৰ ফলৱতী হ'ব পাৰিছে? আমি ছাত্ৰ-ছাত্ৰী সকলেই বা এই কাৰ্য্যত কিমানখিনি সহায় আগবঢ়াইছোঁ। মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই বাৰু কি ভূমিকা গ্ৰহণ কৰি আহিছে? এনেবোৰ প্ৰশ্ন কৰাৰ পৰিবৰ্তে আমি সকলোৱে একগোট হৈ বৰ্তমান এই সমস্যা সমাধানৰ বাবে সমাজৰ প্ৰতিটো কাৰ্য্যত এক শুদ্ধ ৰূপৰ সন্ধান কৰিবৰ প্ৰয়োজন আহি পৰিছে, যাতে ভৱিষ্যতে উঠি অহা যুৱ-সমাজ কোনো ভুল পথে পৰিচালিত নহয়।

আহক আমি সকলোৱে আজিৰ শিক্ষা সমাজত প্ৰচলিত হৈ থকা এই নিষ্ঠুৰ 'ৰেগিঙৰ' ভয়ানক আতংকক দূৰ কৰাৰ সংকল্প লওঁ। ❑❑

বি ঃ দ্ৰ ঃ *বিভিন্ন কিতাপৰ সহায় লৈ*







**প্ৰবন্ধ**

# ।। কাৰগিল ।।

শ্ৰী বিশ্বজিৎ ভট্ট
*স্নাতক, প্ৰথম বৰ্ষ (কলা)*

*ক'ত জোৱানৰ মৃত্যু হ'ল*
*কাৰ জীৱন যৌৱন গ'ল*
*সেই মৃত্যু অপৰাজেয়*
*তেনে মৃতক নহলো মই কিয়!*

অসমী আইৰ সু-সন্তান ড° ভূপেন হাজৰিকা দেৱৰ স্বৰচিত সুৰাৰোপিত আৰু নিজ কণ্ঠত গোৱা গীতটোৱে আমাক অভিভূত কৰে। দেশ মাতৃৰ স্বতন্ত্ৰতা ৰক্ষা কৰিবলৈ অপৰিসীম ত্যাগ স্বীকাৰ কৰা বীৰ জোৱান সকললৈ শিৰ আপোনা আপুনি দো খায়। শ্বহীদ জোৱানৰ প্ৰতি মনে হাহাকাৰ কৰে। চকুৰ লোটকে বাধা নেমানি অশ্ৰু বন্যাৰ সৃষ্টি কৰে। দেশৰ সীমান্তত অহৰ্নিশে অচল-অটল প্ৰহৰীৰ দায়ীত্ব কান্ধ পাতি লোৱা প্ৰতাপী বীৰ জোৱান সকললৈ শত কোটি প্ৰণাম।

কাৰগিল এখন নিচেই সৰু ঠাই। ভাৰত বৰ্ষৰ জম্মু-কাশ্মীৰ ৰাজ্যৰ অন্তৰ্গত এখন আওহতীয়া ঠাই। ভাৰত পাক্ সীমান্তৰ এই জকাই চুকীয়া ঠাইখনে হঠাতে বাতৰি কাকতৰ শিৰোনামা দখল কৰিলে। ভাৰত বৰ্ষৰ জনগণৰ মনত ই সুতীব্ৰ শিহঁৰণ তুলিলে। কাৰগিলে দেশ-প্ৰেমৰ জোৱাৰ আনিলে। বিশ্বব্যাপি ইয়াৰ প্ৰচাৰ হ'ল। তুষাৰাবৃত দ্ৰাছ বাটালিক আদি অঞ্চলৰ কথাও সংবাদ পত্ৰত প্ৰকাশিত হ'ল। প্ৰচাৰিত হ'ল আমাৰ চুবুৰীয়া দেশ পাকিস্তানৰ চৰম বিশ্বাস ঘাতকাৰ নিদৰ্শন। পাকিস্তানৰ সেনা তথা ভেৰোনীয়া সশস্ত্ৰ বাহিনীয়ে কাৰগিল দ্ৰাছ বাটালিক আদি অঞ্চলত অবৈধ ভাবে খোপনি পুতিলে। এই অঞ্চলবোৰ ভাৰতবৰ্ষৰ পৰা কাঢ়ি লৈ নিজ দেশৰ লগত চামিল কৰিবলৈ পাকিস্তান গভীৰ ষড়যন্ত্ৰত

> **................ স্বাধীন ৰাষ্ট্ৰ ৰূপে গণ্য হোৱাৰ পাছতো পাকিস্তানৰ প্ৰশাসনে ভাৰতৰ ভূ-স্বৰ্গৰূপে খ্যাত কাশ্মীৰৰ মোহ এৰিব পৰা নাই।**................ আমাৰ ভাৰতীয় জোৱানে কিন্তু সাপ মাৰি নেজত বিষ এৰিব খোজা নাই। এবাৰ লাঠি হেৰালে কণাই পাছত লাঠি পাৰি বহে। কাৰগিল যুদ্ধইও ভাৰতবৰ্ষৰ সৈনিক সকলক অতন্দ্ৰ প্ৰহৰীৰ দৰে সদায় জাগ্ৰত হৈ থাকিবলৈ সকীয়াই দিলে ...........।

লিপ্ত হ'ল। ভাৰতবৰ্ষৰ প্ৰশাসনে পলমকৈ গম পালে এই চক্ৰান্তৰ কথা। লগে লগে সৈন্য বাহিনী মোতায়েন কৰিলে। আধুনিক অস্ত্ৰ-শস্ত্ৰেৰে সমৃদ্ধ অবৈধ অনুপ্ৰবেশকাৰীক খেদি পঠাবলৈ ভাৰতীয় জোৱানে যথেষ্ট কষ্ট স্বীকাৰ কৰিব লগা হ'ল। দেশ মাতৃৰ অখণ্ডতা ৰক্ষা কৰিবলৈ বহুতো জোৱানে জীৱন আহুতি দিলে। বহুতো সা-সম্পত্তি অস্ত্ৰ বাৰুদ ধ্বংস হ'ল। শেষত পাকিস্তানে সেও মানিবলৈ বাধ্য হ'ল।

কাৰগিলৰ যুদ্ধৰ পৰা ৰাজ্যলোভী সাম্ৰাজ্যবাদী ইংৰাজৰ কু-চক্ৰান্তৰ স্বৰূপ পুনৰ উদঙাই দিলে। ইংৰাজৰ "DIVIDE AND RULE" নীতিৰ ফলস্বৰূপে ভাৰতৰ অখণ্ডতা বাহাল নাথাকিল। ভাৰতৰ মাটিত পাকিস্তান নামৰ এখন নতুন দেশৰ জন্ম দি চক্ৰান্ত কাৰী ইংৰাজে ভাৰতীয় জনগণক আভুৱা ভৰিলে। ১৯৪৭ চনৰ ১৪ আগষ্ট তাৰিখে পাকিস্তান স্বাধীন ৰাষ্ট্ৰ ৰূপে মূৰ দাঙি উঠে। তাৰ পিছৰ দিনাহে ভাৰতবৰ্ষই স্বতন্ত্ৰতা লাভ কৰে। স্বাধীন ৰাষ্ট্ৰ ৰূপে গণ্য হোৱাৰ পাছতো পাকিস্তানৰ প্ৰশাসনে ভাৰতৰ ভূ-স্বৰ্গৰূপে খ্যাত কাশ্মীৰৰ মোহ এৰিব পৰা নাই। ফলস্বৰূপে কাশ্মীৰৰ এটা অংশ নিজ দেশৰ লগত চামিল কৰিবলৈ মৰ কামোৰ দি ধৰিলে। এতিয়ালৈ পাকিস্তানে চাৰিবাৰ ভাৰতবৰ্ষ আক্ৰমণ কৰিলে। ১৯৪৭, ১৯৬৫, ১৯৭১ আৰু ১৯৯৯ চনত। কিন্তু ভাৰতীয় সৈন্যৰ প্ৰত্যাহ্বানত তিষ্ঠিব নোৱাৰি প্ৰতিবাৰেই নতশিৰ কৰিবলৈ বাধ্য হ'ল।

ভাৰত আৰু পাকিস্তানৰ সীমা বিবাদৰ বিষয়টো কেইবছৰমান আগেয়ে কাশ্মীৰৰ মুখ্যমন্ত্ৰী ডাঃ ফাৰুক আব্দুল্লাই উত্থাপন কৰিছিল। তেতিয়া দেশজুৰি প্ৰতিবাদৰ ঢৌ উঠাত সি তল পৰি যাবলৈ বাধ্য হ'ল। ১৯৭২ চনত চিমলা চুক্তি স্বাক্ষৰিত হওতে পাকিস্তানৰ প্ৰধান মন্ত্ৰী জুলফিকৰ আলি ভট্টোৱে নিয়ন্ত্ৰণ ৰেখাকে সীমান্ত কৰাটো মানি লব বুলি ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক আশ্বাস দিছিল। কিন্তু পাকিস্তানী সৈন্য বাহিনীক এই ক্ষেত্ৰত সৈমান কৰিব নোৱাৰি তেওঁ লুটিবাগৰ মাৰিবলৈ বাধ্য হয়। ফলস্বৰূপে কাশ্মীৰ সমস্যা সমাধানত এক অচলাৱস্থাৰ সৃষ্টি হৈছে। পাকিস্তানী সৈন্য বাহিনীয়ে মৰ কামোৰ দি ধৰাত ভাৰতবৰ্ষই কাৰগিলত অঘোষিত যুদ্ধৰ সন্মুখীন হ'ল। সা-সম্পত্তি বোমা বাৰুদৰ বিস্তৰ ক্ষতি হ'ল। বহুতো বীৰ জোৱানে জীৱন আহুতি দিলে।

১৯৯৯ চনৰ জুন মাহত হঠাৎ আকৌ সেই দিনটো আহি পালে, দুয়োখন দেশৰ মাজত তুমুল যুদ্ধ। ভাৰতৰ দেশ প্ৰেমী জোৱান সকলে সৰ্বস্ব ত্যাগ কৰি মাতৃভূমিৰ স্বতন্ত্ৰতা ৰক্ষাৰ বাবে প্ৰাণ আহুতি দিবলৈ বীৰদৰ্পে আগবাঢ়ি আহিল। কাৰগিল আৰু চুবুৰীয়া অঞ্চলবোৰ ভাৰতীয় জোৱান সকলে ঘেৰি ধৰি পাকিস্তানৰ লগত সংযোগ বিচ্ছিন্ন কৰে। জন্মু, কাশ্মীৰৰ মাছকোহ, দ্ৰাছ, কাকচাৰ, বাটালিক আদি গুৰুত্বপূৰ্ণ এলেকাবোৰ ভাৰতীয় জোৱানে পাকিস্তানীৰ কবলৰ পৰা উদ্ধাৰ কৰিবলৈ সমৰ্থ হ'ল। গুৰুত্বপূৰ্ণ টাইগাৰ হিলছত ৪৮১২ পইন্ট ৫০০০ পইন্ট ৫১০০ পইন্ট আদি ভাৰতীয় সেনাই পাকিস্তান অনুপ্ৰবেশকাৰীৰ হাতৰ পৰা মুক্ত কৰে। ভাৰতবৰ্ষৰ অতি শক্তিশালী বীৰ সকলে কম দিনতে ৭০ শতাংশ অঞ্চল পাকিস্তানী অনুপ্ৰবেশকাৰীৰ দখল মুক্ত কৰিবলৈ সক্ষম হৈছে।

কাৰগিলৰ পৰা সৈন্য বাহিনী প্ৰত্যাহাৰ কৰিবলৈ ভাৰতে যুদ্ধৰে পাকিস্তানক যোগ্য প্ৰত্যুত্তৰ দিয়াৰ পাছত পাকিস্তানে হতবুদ্ধি হৈ পৰমানু অস্ত্ৰ প্ৰয়োগ কৰিব বুলি ভাবুকি দিছিল। কিন্তু আন দেশৰ সতৰ্ক বানীয়ে পাকিস্তানক সেই কাম কৰাৰ পৰা বিৰত কৰিলে। বিশ্বৰ উন্নত দেশবোৰে কাৰগিল সমস্যাৰ বাবে পাকিস্তানকে ঘাইকৈ জগৰীয়া কৰিছে।





সেই দেশবোৰৰ হুমকিত পাকিস্তানে সেও মানিবলৈ বাধ্য হ'ল। ফলস্বৰূপে পাকিস্তানী সৈন্য পিচ হুহকি গ'ল।

কাৰগিলৰ পৰা সৈন্য বাহিনী প্ৰত্যাহাৰ কৰাৰ বাবে পাকিস্তানক সময় সীমা হিচাপে ১৬ জুলাইৰ তাৰিখটো নিৰ্দ্ধাৰণ কৰি দিয়া হয়। ১৫ জুলাইৰ পৰা পাকিস্তানী অনুপ্ৰবেশকাৰীৰ দৌৰাত্ম্য কমি অহা পৰিলক্ষিত হয়। বন্দুক গোলা বাৰুদৰ ধ্বংস লীলা কিছু শাম কাটে যদিও দুয়ো পক্ষৰ মাজত ছেগাচোৰাকৈ গুলিয়া-গুলি চলি আছে। আমাৰ ভাৰতীয় জোৱানে কিন্তু সাপ মাৰি নেজত বিষ এৰিব খোজা নাই। এবাৰ লাঠি হেৰালে কণাই পাছত লাঠি পাৰি বহে। কাৰগিল যুদ্ধইও ভাৰতবৰ্ষৰ সৈনিক সকলক অতন্দ্ৰ প্ৰহৰীৰ দৰে সদায় জাগ্ৰত হৈ থাকিবলৈ সকীয়াই দিলে।

□□□□

## স্মৰণীয় কথা

(১) প্ৰকৃত প্ৰেম মহাসাগৰৰ দৰে সীমাহীন। এই প্ৰেম এক অন্তৰৰ মাজত উঠা নমা কৰি আটাইবোৰ সীমা আৰু সীমান্ত অতিক্ৰম কৰি সমগ্ৰ জগতকে আৱৰি ধৰে।

মহাত্মা গান্ধী।

(২) অহংকাৰ নকৰিবা নিজৰ সৰ্বনাশ হ'ব, খং নকৰিবা নিজৰ পতন হ'ব। ঘৃণা নকৰিবা নিজেওঁ ঘৃণিত হবা। হিংসা নকৰিবা নিজৰ ধ্বংস হ'ব।

স্বামী বিবেকানন্দ।

(৩) তুমি বৰফৰ দৰে শুভ্ৰ আৰু নিষ্কলংক হলেওঁ কেতিয়াওঁ নিন্দাৰ হাত সাৰিব নোৱাৰা।

শেক্সপীয়েৰ (হেমলেট)

(৪) এখন সমাজৰ আধাংশ লোকক ৰান্ধনী শালত বন্দী কৰি থলে, সেইখন সমাজ কেতিয়াওঁ শুদ্ধ সমাজ নহয়।

ভি, আই ,লেনিন।

(৫) মন্দিৰ বা মছজিদ নহয়,
লগুণ বা দীঘল দাড়িত নহয়, অন্তৰৰ ভক্তিহে ধৰ্মৰ পৰিচয়।

-মিৰ্জা গালিব।

□□□□

প্ৰবন্ধ

# ।। বহিৰ্জগতত প্ৰাণৰ স্পন্দন বিচাৰি ।।

শ্ৰী বুবুল পাঠক
*স্নাতক, দ্বিতীয় বৰ্ষ (কলা)*

পৃথিৱীত বাদে বিশ্বৰ আন ক'ৰবাত প্ৰাণ আছেনে? এই প্ৰশ্নটোৱে বহুবছৰ ধৰি পৃথিৱীবাসী মানৰ মনত খেলা কৰি আহিছে। মধ্যযুগত সূৰ্য্যকেন্দ্ৰিক বিশ্বতত্ত্বৰ প্ৰৱৰ্ত্তক কপাৰ নিকাচৰ শিষ্য ব্ৰন'ই কৈছিল, "সূৰ্য্য আছে অসংখ্য ..... আমাৰ সূৰ্য্যৰ চাৰিওপিনে যেনেকৈ গ্ৰহবোৰ ঘূৰিছে, তেনেদৰে অসংখ্য গ্ৰহ এই সূৰ্য্যবোৰৰ চাৰিওপিনে ঘূৰিছে আৰু এই গ্ৰহবোৰত জীৱন্ত প্ৰাণীৰ বসতি আছে।"

**........ পৃথিৱীত বাদে বিশ্বৰ আন ক'ৰবাত প্ৰাণ আছেনে? এই প্ৰশ্নটোৱে বহুবছৰ ধৰি পৃথিৱীবাসী মানৰ মনত খেলা কৰি আহিছে ............। আৰু তাৰ কাৰণে আমি বিজ্ঞানৰ ওপৰত ভৰসা ৰাখি ভৱিষ্যত আগমনলৈ বাট চাব লাগিব ...............।**

আগতে মানুহে ভাবিছিল যে জীৱ থাকিবলৈ ঠাইখন আমাৰ পৃথিৱীৰ দৰেই সূৰ্য্যৰ পৰা মধ্যম দূৰত্বত অৱস্থিত, মধ্যম আকৃতিৰ, যথেষ্ট পুৰণি গ্ৰহ হ'ব লাগিব, যাতে তাত বহুদিন ধৰি পৃথিৱীৰ নিচিনাকৈ জীৱৰ বিৱৰ্তন ঘটিব পাৰে। সেইকাৰণেই সাধাৰণ মানুহৰ উপৰিও ইটালীয় জ্যোতিৰ্বিদ শ্বিয়াপাৰেলীৰ দৰে বিজ্ঞানীয়েও মঙ্গলগ্ৰহত জীৱ থকাৰ সম্ভাৱনা বৈছিকৈ স্বীকাৰ কৰিছিল। এনে বিশ্বাসৰ ফলতেই এইচ. জি. ৱেলচৰ দৰে লিখকে বহুতো বিজ্ঞান কাহিনীৰ জন্ম দিছে। কিন্তু পিছত মাৰ্কিন মহাকাশযান 'মেৰিনাৰে' মঙ্গলগ্ৰহৰ ছবি আৰু তথ্য সংগ্ৰহ কৰি দেখুৱালে যে তাত জীৱ থকাৰ কোনো সম্ভাৱনা নাই। কাৰণ মঙ্গলৰ আৱহমণ্ডলৰ আছে কাৰ্বন-ডাই-অক্সাইড আৰু সামান্য জলীয় ভাপ। তাৰোপৰি তাৰ আৱহমণ্ডলত পৃথিৱীৰ অ'জন স্তৰৰ তৰপ নথকা বাবে সূৰ্য্যৰ অতি বেঙুণী ৰশ্মি অপ্ৰতিহতভাৱে মঙ্গল পৃষ্ঠত পৰিছে। শেহতীয়াভাৱে 'নাছা'ই পঠোৱা 'পাথফাইণ্ডাৰ' নামৰ মহাকাশযানখনেও মঙ্গলগ্ৰহত প্ৰাণী নথকা বুলি প্ৰতিপন্ন কৰিছে।

কিন্তু বহুতো আশাবাদী বৈজ্ঞানিকে আঙুলিয়াই দিছে যে অকল পৃথিৱীত পোৱা ধৰণৰ জীৱই হ'ব লাগিব এইটো এটা সংকীৰ্ণ পৃথিৱীকেন্দ্ৰিক মনোভাব। আমাৰ দৰে জীৱৰ গঠন আৰু বিকাশৰ বাবে লাগে কাৰ্বন-ডাই-অক্সাইড, পানী





আৰু অক্সিজেন, উষ্ণতা হ'ব লাগে ০ আৰু ১০০ ডিগ্ৰী চেন্টিগ্ৰেডৰ ভিতৰত; বায়ু চাপ মোটা-মুটি প্ৰতি বৰ্গ ইঞ্চিত ১৪.৭২ পাউণ্ড কিন্তু পৃথিৱীত এনে জীৱও আছে যিবোৰ বহু কম চাপত (যেনে- ওখ পাহাৰৰ প্ৰাণী আৰু চৰাই) নাইবা বহু বেছি চাপতো (যেনে- সাগৰতলিৰ মাছ আদি) থাকে। এনে জীৱও আছে, যিবোৰে এচিড খাই জীয়াই থাকে, এনে বেক্টেৰীয়াও আছে যিবোৰ অক্সিজেনৰ সলনি কাৰ্বন-ডাই-অক্সাইড গ্ৰহণ কৰে, তপত গলিত গন্ধক খোৱা জীৱও আছে, অতি উষ্ণ মৰুভুমি নাইবা অতি শীতল মেৰুদেশত জন্মা জীৱও আছে। পৃথিৱীতে যেতিয়া ইমান ভিন্নধৰণৰ জীৱ আছে, গোটেই বিশ্ব ব্ৰহ্মাণ্ডত যে আৰু কিমান ভিন্ন জীৱ থাকিব পাৰে, ভাবিলে আচৰিত হ'ব লাগে।

আদিম অক্সিজেন বিহীন পৃথিৱীত হেনো আছিল মিথেইন, এম'নিয়া, হাইড্ৰ'জেন আৰু জলীয় ভাপ। এই পৰিস্থিতি নকল কৰি ১৯৫৩ চনতে ন'বেল বিজ্ঞানী হেৰল্ড উৎৰীৰ তত্ত্বাৱধানত ষ্টেনলি মিলাৰ নামৰ এজন বৈজ্ঞানিকে এই গেছবোৰৰ মিশ্ৰণ এটাৰ মাজলৈ সূৰ্যৰ অতি বেঙুণী ৰশ্মি। বিজুলী চেৰেকণী আৰু আগ্নেয়গিৰিৰ তাপৰ নকল ৰূপী বিদ্যুৎ স্ফুলিংগ মাৰি পঠিয়াই আশা কৰা মতেই পাইছিল প্ৰ'টিন আৰু প্ৰাণৰ মূল আধাৰ স্বৰূপ এমাইন' এচিড। বহুতো বিজ্ঞানীৰ মতে এনেকৈয়ে পৃথিৱীত প্ৰাণৰ সৃষ্টি হৈছিল। গতিকে এইটো সহজেই অনুমান কৰিব পাৰি যে যিবোৰ গ্ৰহত অক্সিজেন নাই, কিন্তু এম'নিয়া, মিথেইন, জলীয় ভাপ আদি আছে, তেনে গ্ৰহতো প্ৰাণৰ সৃষ্টি সম্ভৱ। অৱশ্যে এই জীৱবোৰৰ বিকাশ আমাৰ দৰে এণ্ডাৰ আৰু পানী ভিত্তিক নহৈ এম'নিয়া বা ফ্লুৰিণ বা চিলিকন ভিত্তিকো হ'ব পাৰে। এইখিনিতে এটা মজাৰ কথা উনুকিয়াব পাৰি ঃ ৰুচ আৰু মাৰ্কিন মহাকাশযান আৰু কৃত্ৰিম উপগ্ৰহবোৰে লোৱা পৃথিৱীৰ অসংখ্য ফটো বিশ্লেষণ কৰিও পৃথিৱীত জীৱ থকাৰ কোনো বিশেষ প্ৰমাণ পোৱা নাই। পৃথিৱীৰ ক্ষেত্ৰতে যেতিয়া আমাৰ বিশ্লেষণ এনেকুৱা, অন্যান্য গ্ৰহ উপ-গ্ৰহৰ ক্ষেত্ৰত আমি কিমান সঠিক সিদ্ধান্ত কৰোঁ সহজেই সন্দেহ জাগে। সেয়ে ১৯৭১ চনৰ ছেপ্তেম্বৰ মাহত ৰুছিয়াৰ আৰ্মেনিয়াত হৈ যোৱা এখন আন্তৰ্জাতিক সন্মিলনত বিজ্ঞানী সকলে সিদ্ধান্ত কৰে যে বৰ্তমান হাতীপটিতে একলাখৰ পৰা এক নিযুত সংখ্যক উন্নত বৈজ্ঞানিক সভ্যতা আছে, এইবোৰ কেইবা শ আলোকবৰ্ষ দূৰে দূৰে অৱস্থিত আৰু এওঁলোক অঁনাতাৰ সংকেত প্ৰেৰণ কৰিবলৈ সক্ষম। হয়তো এতিয়াও মহাকাশৰ বিভিন্ন গ্ৰহৰ মাজত বিভিন্ন অঁনাতাৰ সংকেত অহা-যোৱা কৰি আছে, কিন্তু আমি এতিয়াও ইমান অনুন্নত যে আমি সেই সংকেতবোৰ ধৰিবলৈ বা বুজিবলৈ সক্ষম হোৱা নাই।

সেয়ে বৰ্হিজগতৰ যিকোনো উন্নত সভ্যতাৰ পৰা অহা ৰেডিঅ' তৰংগ গ্ৰহণ কৰিবৰ কাৰণে পৃথিৱীৰ বিভিন্ন ঠাইত কিছুমান ৰেডিঅ' টেলিস্কোপ স্থাপন কৰা হৈছে। তাৰোপৰি বিজ্ঞানী সকলে আন গ্ৰহৰ উন্নত সভ্যতাৰ লগত যোগা-যোগ কৰিবলৈ ৰেডিঅ' আৰু লে'জাৰ তৰংগ পঠিওৱাৰ সিদ্ধান্ত কৰিছে। ইতিমধ্যে মাৰ্কিন সামৰিক বাহিনীৰ ৰাডাৰ আৰু অতি হ্ৰস্ব তৰংগৰ বেতাৰ সংকেত ১৯৬৮/৬৯ চনৰ পৰাই মহাকাশলৈ গৈ আছে। কিন্তু এইবোৰৰ পৰা অদ্য পৰিমিত কোনো বিশেষ ফল পোৱা নাই। অৱশ্যে অন্য কোনো সভ্যতাৰ জীৱইও যে আন গ্ৰহৰ লগত যোগাযোগ কৰিবলৈ মাত্ৰ লে'জাৰ বা ৰেডিঅ' তৰংগহে প্ৰেৰণ কৰিব তাৰ কি যুক্তি আছে? তথাপি মানুহে চেষ্টা এৰি দিয়া নাই। ১৯৭২ চনৰ ২ মাৰ্চ তাৰিখে মাৰ্কিন মহাকাশযান 'পায়'নিয়াৰ ১০'এ পাৰি দিছে আৰু প্লুটো পাৰহৈ সৌৰজগত এৰিছে ১৯৮৭ চনত। হিচাব মতে ১১০ নিযুত বছৰ